অসম তথা পূৰ্বাঞ্চলৰ সমস্যাৱলীক তথ্যসম্বলিতভাৱে আলোচনা কৰা
মাহেকীয়া পত্ৰিকা :

…ম বছৰ : ৩য় সংখ্যা : জুন ৮০ মূল্য ৬০ পইচা

# প্ৰতিবাদৰ কণ্ঠ

## সাম্প্ৰদায়িকতা (সম্পাদকীয়)

অসমত চলিত আন্দোলনৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল অসমৰ থলুৱা জনগোষ্ঠী সমূহৰ মাজত সুদৃঢ় ঐক্যৰ ভেঁটি গঢ়ি উঠাটো। অকল অসমৰ ভিতৰতেই নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চললৈ হেৰোৱা ঐক্য বহুক্ষেত্ৰত ঘূৰি আহিছে। সমগ্ৰ অঞ্চলটোৰ যুৱ মাজে ঐক্যৰ দোলেৰে অঞ্চলটোক বান্ধিবলৈ যত্ন কৰিছে। উত্তৰ পূৰ্বাঞ্চল ছাত্ৰসন্থা গঠন কৰাটো এনে এক পদক্ষেপ। ঐক্যই আমাক সবলভাৱে থিয় হ'বলৈ যে শক্তি যোগায় এই কথা প্ৰায় সকলো নতুন পুৰুষে বুজি উঠিছে যেন লাগে। উত্তৰ পূৰ্বাঞ্চল ছাত্ৰসন্থাৰ স্মৃতি-গ্ৰন্থতো সেয়েহে United we stand. Divided we fall. কথাষাৰ উল্লেখ কৰিছে।

কিন্তু এনেবোৰ কাৰ্য দেখি শুনি এচামৰ চকুত টোপনি নোহোৱা হৈছে। ইংৰাজে Divide and rule নীতিৰে জনগণৰ মাজত যি বিভাজন আনিছিল— ইয়াক তথাকথিত স্বাধীন চৰকাৰে নিৰ্মূল কৰাতকৈ কিছু কিছু ক্ষেত্ৰত বেছিহে কৰিলে। ঢাক ঢোল বজাই সাম্প্ৰদায়িক বিভেদৰ বিৰুদ্ধে শ্লোগান দিলেও প্ৰতিটো নিৰ্বাচনৰ সময়ত সকলো ফুটুকাৰ ফেন হয়গৈ। সম্প্ৰদায়ৰ আঁৰ নললে নিৰ্বাচনত জিকাটো অসম্ভৱ হৈ পৰে। যিয়েই যিমান কৌশলেৰে সম্প্ৰদায় সমূহৰ মাজত বিভাজন আনিব পাৰে, সিমানেই অধিক ভোট পায়। গতিকেই সম্প্ৰদায় সমূহৰ মাজত ঐক্য প্ৰতিষ্ঠা হোৱাটো ৰাজনৈতিক দালাল তথা সুবিধাবাদী নেতাসকলে কেতিয়াও নিবিচাৰে।

সেয়েহে এই চক্ৰসমূহে জনজাতি, অজনজাতি; আৰ্য, মংগোলীয় আদি বিভিন্ন ধৰণে অসমৰ থলুৱা লোকৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিছে। কিছুক্ষেত্ৰত অশিক্ষিত জনগণক ভুলপথে পৰিচালিত কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত সচেতন তথা সংগঠিত যুৱকসকলৰ দায়িত্ব অপৰিসীম। থলুৱা জনগোষ্ঠী সমূহৰ মাজত হ'ব ধৰা বিভাজনৰ বিৰুদ্ধে থিয় দি ঐক্য সুদৃঢ় কৰাৰ দায়িত্ব যুৱ-সমাজৰে। আমাৰ মাজত শিপাই থকা আহোম, বামুণ, কোঁচ, কলিতা, কছাৰী, কাৰবি কেওঁট, কৈবৰ্ত, বড়ো, ৰাভা আদি মনোভাৱৰ গোড়ামিৰ বিৰুদ্ধে সংগ্ৰাম কৰা প্ৰয়োজন। ইয়াৰ উপৰিও অসমৰ ভাষা - সংস্কৃতি আঁকোৱালি লৈ অসমৰ মাটিত একহৈ যোৱা, অসমত শোষণ নকৰা প্ৰতিটো জনগোষ্ঠীকে সাদৰি লোৱা প্ৰয়োজন। উদাহৰণ স্বৰূপে অসমৰ মাটিত মিলি যোৱা, গাৱঁৰ কৃষকসকলৰ দৰেই শোষিত চাহ মজদুৰসকল বৃহত্তৰ অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ। এই ক্ষেত্ৰত সহজে মনত আঘাত দিব পৰা কিছুমান শব্দ ব্যৱহাৰ আমাৰ মাজৰ পৰা উঠাই দিয়া প্ৰয়োজন। উদাহৰণ স্বৰূপে 'কুলি' শব্দটো। বৃটেইনৰ বগা চাহাববিলাকে চাহখেতিত লগাই দিয়া সন্তীয়া বনুৱাসকলক 'কুলি' (coolie) বুলিছিল। এই শব্দটোৱে সমাজত নীচাতিত্মকাভাৱ জগাই তোলে। যদিও 'কোলি' (koli) নামেৰে এটা আদিম সম্প্ৰদায় আছে, অসমত 'কুলি' বুলি জাত এটা হ'ব নোৱাৰে। কোলি (koli) সম্প্ৰদায়ৰ লোকসকল গুজৰাট আৰু মহাৰাষ্ট্ৰত বিস্তৃত হৈ আছে। কোলিসকল আগতে প্ৰধানকৈ কৃষিজীৱী আৰু মৎস্য-

OKD ISCD

জৰী আছিল। ইংৰাজৰ আমোলত এই সম্প্ৰদায়ৰ অধিক সংখ্যকলোকে সাধাৰণ বনুৱা হিচাপে কাম কৰিছিল। পিচলৈ ইংৰাজে সকলো সন্তীয়া বনুৱাকে 'কুলি' বুলিবলৈ লৈছিল। সাধাৰণতে চাহ-মজদুৰসকলে — এই শব্দটোৰ ব্যৱহাৰ কৰিলে মনত, আঘাত পায়। এনেধৰণৰ শব্দবোৰৰ ব্যৱহাৰ নাইকিয়া কৰিবলৈ যুৱকসকল তথা সচেতন ৰাইজে চেষ্টা কৰা প্ৰয়োজন।

অসমত চলিত আন্দোলনক প্ৰত্যাহ্বান জনাবলৈ জন্মহোৱা 'সংখ্যালঘু ছাত্ৰসন্থা' যে আই-কংগ্ৰেছৰ আশীৰ্বাদপুষ্ট আৰু এটা অতি সাম্প্ৰদায়িক সংগঠন, সেইকথা কোনেও নুই কৰিব নোৱাৰে। ধৰ্মৰ ভিত্তিত (বিশেষকৈ হিন্দু-মুছলীম) অসমত কেতিয়াও সংঘৰ্ষ হোৱা নাই। শ শ বছৰ ধৰি সম্প্ৰীতিৰে বাস কৰা অসমীয়া মুছলীম আৰু হিন্দুৰ মাজত সহজে বিভাজন আহিব নোৱাৰে। অসমীয়া মুছলীমসকল কেতিয়াও সংখ্যালঘু হ'ব নোৱাৰে। অসমীয়া জাতিটোৱেই সংখ্যালঘু হ'লেহে তেওঁলোকো সংখ্যালঘু হ'ব। আমি জনাত অসমীয়া মুছলীমসকলে এই সংগঠন গঢ়ি তোলা নাই। এই সন্থা বাংলাদেশী তথা সম্প্ৰসাৰণবাদী ভাষিক সংখ্যাগুৰুসকলৰ সংখ্যাৰে পুষ্ট। "অসমলৈ যিয়েই আহে তাকেই অধিক অধিকাৰ লাগে। 'আলহীয়ে গিৰিহঁতক খেদাই নিজে গিৰিহঁত হোৱা' কথা নিশ্চয় কোনো প্ৰগতিশীল মানুহে বিশ্বাস

(১১ পৃষ্ঠাত চাওক)

# অশান্ত মিজোৰাম

(দিব্যজ্যোতি বৰদলৈয়ে মিজোৰামৰ ইতিহাস সমাজ, অৰ্থনীতি, ৰাজনীতি আৰু মিজো বিদ্ৰোহীৰ কাম-কাজৰ ওপৰত এই সুদীৰ্ঘ প্ৰবন্ধটি আগবঢ়াইছে। বিদ্ৰোহী চৰকাৰৰ পদবীসমূহো ইয়াত উল্লেখিত কৰা হৈছে। প্ৰবন্ধটি ধাৰাবাহিক ভাৱে প্ৰকাশ কৰা হ'ব।) —স-প্ৰ-ক

(১)

মিজোৰাম। অসমৰ নিচেই কাষতে দক্ষিণ-ফালে জিভাৰ আকৃতিৰ, সৰু সৰু উপত্যকাৰে বিচ্ছিন্ন সৰু বৰ পাহাৰেৰে ভৰা, গোটেই বছৰটো-ৱেই মনোৰম বায়ু বলি থকা অঞ্চলটোৱেই মিজোৰাম।

মিজোৰামক সকলোৱে বিদ্ৰোহী মানুহৰ ঠাই বুলিয়েই জানে। প্ৰায়েই বাতৰি কাকতসমূহত বিদ্ৰোহী মিজোৰ লগত ভাৰতীয় সামৰিক বাহিনীৰ সংঘৰ্ষৰ কথা পঢ়িবলৈ পোৱা যায়। এই সংঘৰ্ষ কি বাবে ??

১৯৬৬ চনৰ পৰাই অঞ্চলটোত বিদ্ৰোহৰ জুই জ্বলিছে। বহু মিজো যুৱকে, পুৰুষে মৃত্যুক সাৱটি ল'ব লগা হৈছে। মিজো অধিবাসীৰ গাঁওবিলাক ভাৰতীয় সামৰিক বাহিনীৰ নিৰ্যাতন চলিছে। বহুতাৰ গাভৰু কুমাৰী বোৱাৰীয়ে সতীত্ব হেৰুৱাব লগা হৈছে।

ইয়াৰ কাৰণ কি?

ইয়াৰ কাৰণ বিচাৰিবলৈ যোৱাৰ আগতে আমি মিজোসকল আৰু মিজোৰামৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন।

টাই জনগোষ্ঠীৰ আহোমসকলে অসমত ৰাজ্যপ্ৰতিষ্ঠা কৰাৰ পিচৰ পৰা অসম বুৰঞ্জীৰ জন্ম হয়। আহোমসকলৰ লগত কাষৰীয়া পাহাৰী জাতিবিলাকৰ যুদ্ধ বিগ্ৰহ আৰু লগতে বৈবাহিক সমন্ধকে ধৰি বিভিন্ন সমন্ধ ঘটিছিল আৰু ফলস্বৰূপে বুৰঞ্জীসমূহৰ পৰা কিছুপৰিমাণে নগা, মনপা বা অন্যান্য জাতি-সমূহৰ বিষয়ে জানিব পৰা যায়। বিশেষকৈ আহোম সকলে জনজাতিসকলৰ লগত ভাল বুজা-পৰা বা সম্প্ৰীতি স্থাপনৰ চেষ্টা কৰাৰ আভাস পোৱা যায়। কিন্তু এই বুৰঞ্জীত মিজোসকলৰ বিষয়ে কোনো উল্লেখ নাই। মিজোসকলৰ নিজস্ব বুৰঞ্জী লিখাৰ অভ্যাস নথকাত মিজোসকলৰ অতীত অন্ধকাৰৰ মাজত লীন গ'ল। ১৮২৬ চনত অসমৰাজ্য ইয়াণ্ডাবু সন্ধিৰ যোগেদি ইংৰাজৰ ভাৰত সম্ৰাজ্যৰ অধীনলৈ নিয়াৰ পিচত কাষৰীয়া জনজাতিসকলৰ লগত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল আৰু সেইসময়ৰ পৰাইহে মিজো-সকলৰ বিষয়ে ভালদৰে জনা যায়। (আগলৈ)

✳ বিশেষ প্ৰবন্ধ ✳

# মাৰ্ক্সবাদী সমালোচক

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

মাৰ্ক্সবাদীসকলে যি কোনো আন্দোলনৰ বিষয়ে আলোচনা কৰোঁতে প্ৰচলিত ৰাষ্ট্ৰ- ব্যৱস্থা আৰু আন্দোলনৰ এই ৰাষ্ট্ৰ-ব্যৱস্থাৰ লগত সম্পৰ্ক-কৰ বিষয়ে বিজ্ঞান সন্মতভাৱে পৰ্য্যালোচনা কৰা প্ৰয়োজন। তাকে নকৰি আন্দোলনৰ লগত জড়িত ব্যক্তিসকলৰ দুই এজনৰ ব্যক্তিগত চৰিত্ৰ তথা দুই এক বিচ্ছিন্ন ঘটনাৰ আলমলৈ, জধে-মধে যাকে-তাকে আক্ৰমণ কৰি, অথবা চি-আই- এ এজেণ্টৰ কাম-কাজ বুলি য'তে ত'তে 'লেবেল' আঁৰি জন-গণৰ মূল সমস্যাসমূহক আওকাণ কৰি প্ৰকৃততে জনগণৰ শত্ৰুতা শলাহে হয়। অসমৰ সাম্প্ৰতিক সমস্যাৰ আলোচনা প্ৰসংগতো একশ্ৰেণী তথাকথিত মাৰ্ক্সবাদীয়ে জাতীয় আন্দোলনৰ বিৰোধিতা কৰাৰ নামত প্ৰকৃততে 'ইন্দিৰা-কংগ্ৰেছ' চৰকাৰৰ পক্ষ গ্ৰহণ কৰিছে, জন- সাধাৰণৰ মাজৰ দ্বন্দ্বসমূহ অনু-ধাৱন কৰিব নোৱাৰি জনগণৰ বিৰুদ্ধেই সংগ্ৰামত লিপ্ত হৈছে, এটা শোষক ৰাষ্ট্ৰযন্ত্ৰক এই দৰেই ৰক্ষণা-বেক্ষণ দিছে।

অসমৰ সাম্প্ৰতিক আন্দোলনৰ প্ৰসংগত প্ৰথমেই আমি এই কথা নীতিগত ভাৱে গ্ৰহণ কৰিব লাগিব যে মাৰ্ক্সবাদী তথা সাম্যবাদীয়ে জনগণৰ বিৰুদ্ধে সংগ্ৰাম নকৰে, জনগণৰ মাজৰ দ্বন্দ্বসমূহ আঁতৰোৱাৰ ক্ষেত্ৰত জনগণৰ একাংশই কেতিয়াবা ভুল কৰিলেও, সেই ভুলৰ সংশোধন কৰিবৰ বাবে শোষক, নিপীড়ক চৰকাৰৰ লগত হাত নিমিলাই বৰং জনগণৰ সমস্যাৰ প্ৰকৃত সমাধানৰ পথহে বিছাৰি উলিয়াই। অসমৰ ক্ষেত্ৰত আমি দেখা পাইছো তথাকথিত বিপ্লৱী (?) সকলৰ একাংশই অসমীয়া জনগণক শত্ৰু শিবিৰত পৰিণত কৰিছে, যুদ্ধ কৰিছে অসমীয়া জনগণৰ বিপক্ষে। ফলত এফালে এওঁলোক নিজে এঘৰীয়া হৈছে। আনফালে জাতিসমস্যা সমাধানকল্পে আগবঢ়োৱা পৰা বিজ্ঞান-সন্মত মাৰ্ক্সবাদী চিন্তাধাৰা বিকৃতকৰণৰ অপৰাধেৰে এওঁলোক অপৰাধী হৈছে।

ভাৰত বহুজাতিৰ বাসভূমি আৰু ভাৰতীয় শোষণ- যন্ত্ৰৰ দলনত অসমীয়া এটা নিষ্পেষিত জাতি। এই জাতিৰ অৰ্থনীতি, সমাজ, সংস্কৃতি সংকটাচ্ছন্ন হৈছে।

সংকটাচ্ছন্ন হোৱাৰ মূল কাৰণ হ'ল, (১) এই ৰাষ্ট্ৰ- ব্যৱস্থাত বৃহৎ ভাষিক গোষ্ঠীসমূহে (মূলত; বাঙালী) গ্ৰাস কৰাৰ বিপদ আছে। (২) বছৰৰ পিছত বছৰ ধৰি অসমলৈ বাহিৰৰ পৰা প্ৰব্ৰজন হৈছে, ফলত থলুৱা মানুহ আৰ্থিকভাৱে জুকলা হৈছে, সামাজিক সাংস্কৃতিক ভাবে লুপ্ত হোৱাৰ আশংকা দেখা দিছে। (৩) পূৰ্বৰ ইংৰাজ আৰু ৪৭ চনৰ পিছৰ অন্যায়কাৰী ৰাজনৈতিক শক্তিসমূহে স্বেচ্ছাই বাংলাদেশী (পূৰ্বৰ পূব পাকিস্তানী) প্ৰব্ৰজনত সহায় কৰিছিল। ফলত 'বাংলাদেশী'ৰ সংখ্যাই হিন্দুৱেই হওক বা মুছলমানেই হওক আজি অসমীয়া জাতিৰ বাবে বিপদৰ কাৰণহে পৰিছে।

এই পৰিস্থিতিত অসমীয়া জন-সাধাৰণে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱন-মৰণ সংগ্ৰামত অৱতীৰ্ণ হোৱাটো ঐতিহাসিক ভাবে অৱধাৰিত। ই কোনো বিদেশী শক্তিৰ ষড়যন্ত্ৰৰ ফলত হোৱা আন্দোলন নহয়। কিন্তু অত্যন্ত দুখ আৰু লাজৰ বিষয় যে আমাৰ ভুৱা বিপ্লৱী যহোৱা বদমাচ কিছুমানে প্ৰগতিশীল বুলি নিজকে যহোৱাৰ নামত অস-মীয়া জাতিৰ মূল সমস্যাটোকে অস্বীকাৰ কৰিছে, ইন্দিৰা গান্ধী তথা জ্যোতি বসুৰ লগত সুৰ মিলাইছে অথবা এই আন্দোলনৰ বাবে আমেৰিকা কিম্বা চীনক দোষাৰোপ কৰিছে। এনেবোৰ কামকাজ প্ৰকৃততহে গৰ্হিত আৰু নিন্দনীয়।

কলিকতাত গৈ চিঞৰি, টেঁটুফালি, গগণ বিদীৰ্ণ কৰি জনৈক বুদ্ধিজীৱীয়ে ঘোষণা কৰিছে যে এই আন্দোলন চি আই এৰ ষড়যন্ত্ৰৰ ফল! এনে গদৰ্ভ তাত্বিকৰ লগত সুৰমিলাই দুই এক লিকচৌ

✳ আন্দোলনকাৰী বন্দীসকলক বিনাচৰ্ত্তে মুক্তি দিয়ক॥

তাসুন্সী-লিগিৰাই অসমৰ আন্দোলনকাৰী জনগণ আৰু বুদ্ধিজীৱীৰ প্ৰায় সকলোকে চি আই এৰ এজেন্টৰ শাৰীলৈ নমাইছে। এনে কাম-কাজৰ ফলত আন কিবা হওক নহওক এটা ঘটনা কিন্তু হৈছে— "সাম্যবাদীসকল অসমীয়াৰ শত্ৰু"— এই ধাৰণা জনগণৰ মূৰত সোমাই গৈছে। মাৰ্ক্সবাদৰ তত্বগোৰাৰ নামত জনগণক ভুলপথে পৰিচালিত হোৱাৰ সুযোগ দি, সাম্যবাদীসকলক জনগণৰ পৰা এঘৰীয়া কৰাৰ ফন্দি কৰাটো বিপ্লৱীসূচক কামনে? আমি পোনে পোনেই কম এনে কাম প্ৰতিক্ৰিয়াশীল। অসমৰ জনগণ কোনো সাম্যবাদীৰে শত্ৰু নহয়, এই নিষ্পেষিত জাতিৰ জনগণৰ সমস্যাসমূহৰ দ্ৰুত সমাধানৰ যোগেদিহে অসমত সাম্যবাদী আন্দোলন আগবাঢ়ি যাব। মূঢ়মতি বুদ্ধিজীৱী দুজনমানে (এওঁলোকে কামৰ ভিতৰত বছৰত এবাৰ নজৰুল তথা জ্যোতিদিৱস পালি গোটেই বছৰ জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, নজৰুলৰ তৈলচিত্ৰৰ তলত বহি তাচ-জুৱা আৰু মদৰ শ্ৰাদ্ধ পাতে) জধে-মধে জনগণক গালি পাৰি, জনগণৰ পক্ষে থকা সকলক গালা-গালি পাৰি, লেৰেলা আঁৰি সাৰি যাব নোৱাৰিব। ইতিহাসে ইতিমধ্যে এওঁলোকক ফটা কাপোৰৰ দৰে দূৰনিত নিক্ষেপ কৰিছে— ভৱিষ্যতে হয়তো আৰু কঠোৰ ভাৱে এঘৰীয়া কৰিব।

আমি অসমৰ জনগণৰ জাতীয় আশা-আকাংক্ষাসমূহ বাস্তৱত ৰূপায়িত কৰিবৰ বাবে প্ৰচেষ্টা কিয় কৰিছোঁ? কৰিছোঁ এই বাবেই যে ভাৰতৰ বৰ্ত্তমান ৰাষ্ট্ৰযন্ত্ৰৰ তলত এই জাতি পদদলিত হৈছে। ৰাষ্ট্ৰযন্ত্ৰৰ ইতিহাস আৰু বৰ্ত্তমানৰ চৰিত্ৰ পৰ্য্যালোচনা কৰিলে আমি দেখা পাম যে —(১) এই 'ৰাষ্ট্ৰ' (state) ওপৰৰপৰা জাপি দিয়া, ইংৰাজৰ সৃষ্টি। জনগণৰ সৃষ্টি নহয়। (২) ইংৰাজৰ সৃষ্টি সামৰিক বাহিনী, পুলিচ বাহিনী, আইন-ব্যৱস্থা, আমোলা-তন্ত্ৰ আদি ৰাষ্ট্ৰৰ মূল খুঁটাবোৰ ৪৭ চনৰ পিচত একেদৰেই জনগণৰ ওপৰত তথা নিষ্পেষিত জাতি-উপজাতিসমূহৰ ওপৰত বোজা হিচাপে বৰ্তি আছে; (৩) ই 'বোজা' তথা 'ওপৰৰ পৰা জাপি দিয়া বোজা'ৰ ঠাইত এক দৃঢ় সংযুক্ত (Federal) ৰাষ্ট্ৰৰ মাজত বৰ্ত্তমানৰ নিষ্পেষিত জাতিসমূহৰ সমস্যা সমাধানৰ সম্পূৰ্ণ সম্ভাৱনা আছে। সেয়ে নিষ্পেষিত জাতিসমূহৰ জাতীয় আশা আকাংক্ষা পূৰণৰ বাবে হোৱা গণতান্ত্ৰিক জাগৰণক আমি সমগ্ৰ ভাৰততে আদৰণি জনোৱা প্ৰয়োজন। ই বৰ্ত্তমানৰ এককেন্দ্ৰিক, অগণতান্ত্ৰিক, জাপি দিয়া ৰাষ্ট্ৰৰ ঠাইত প্ৰকৃত সংযুক্ত, গণতান্ত্ৰিক বিকেন্দ্ৰীভূত, জনগণৰ ৰাষ্ট্ৰৰ প্ৰয়োজন ত্বৰান্বিত কৰিব।

আমি সকলোৱেই জানোঁ যে সম্প্ৰদায়-বিভেদ মানৱ-জাতিৰ ওপৰত এক দুৰ্বোধ অভিশাপ। অসমৰ তথা ভাৰতৰ বৰ্ত্তমান ৰাষ্ট্ৰীয় কাঠামোৰ ভিতৰত বৃহৎ জাতিয়ে অহৰহ ক্ষুদ্ৰ-জাতিক দমন নিপীড়ন কৰিব পাৰে, গ্ৰাস কৰিব পাৰে। সেয়ে সাম্প্ৰদায়িক সংঘাত সৃষ্টি হয়। এই সাম্প্ৰদায়িক সংঘাতসমূহৰ চিৰস্থায়ী সমাধানৰ বাবে সেয়ে আমি সমগ্ৰ ৰাষ্ট্ৰ ব্যৱস্থাটোকে সলনি কৰিব লাগিব -ওপৰত উল্লেখ কৰা প্ৰকৃত সংযুক্তৰাষ্ট্ৰ গঢ়িব লাগিব, য'ত সকলো জাতিয়ে নিজৰ অৰ্থনীতি, সমাজ, সাংস্কৃতি ৰক্ষা কৰা আৰু বিকাশ সাধন কৰাৰ সম্পূৰ্ণ স্বাধীনতা থাকিব। ই হল দীৰ্ঘস্থায়ী সংগ্ৰামৰ পথ, সাম্প্ৰদায়িক চিন্তাক চিৰদিনৰ বাবে বিদায় দিয়াৰ পথ।

এই পথ অনুসৰণ কৰিবলৈ যাওঁতে আমি সদায় বৃহৎ ভাষিক গোষ্ঠী (হিন্দি, বাঙালী, তামিল আদি) সমূহৰ বিপৰীতে ক্ষুদ্ৰ ভাষিক গোষ্ঠীসমূহৰ পক্ষেহে যাব লাগিব। কাৰণ, আমি সকলোৱে জানো যে সংখ্যাৰ শক্তিৰে বৃহৎসকলেহে ক্ষুদ্ৰক গ্ৰাস কৰিব পাৰে; ক্ষুদ্ৰই বৃহৎক নোৱাৰে। বৃহৎ জাতিৰ দম্ভ ধ্বংস কৰিব পাৰিলে ক্ষুদ্ৰ জাতিসমূহৰ শংকা চিৰদিনলৈ দূৰ হব।

সাম্প্ৰতিক পৰিস্থিতিত আমি আশা কৰিছোঁ সমগ্ৰ ভাৰতৰ গণতান্ত্ৰিক আৰু বিপ্লৱী শক্তিসমূহৰ শুভবুদ্ধি জাগ্ৰত হ'ব। নিষ্পেষিত জাতিসমূহৰ সমস্যা সমাধানৰ বাবে পথ পৰিষ্কাৰ কৰিব।

(৬ পৃষ্ঠাত চাওক)

 ✳ অসমত আন্তঃৰাজ্যিক পাৰপত্ৰৰ ব্যৱস্থা কৰক॥ আন্তঃৰাষ্ট্ৰীয় সীমান্ত কটকটীয়া কৰক॥

OKDISCD

## একুৰিয়ামৰ বন্দী মাছ ✻ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

একুৰিয়ামৰ বন্দী মাছ চকুত ভগ্ন ৰঙীন কাঁচ
আছে কি তোমাৰ আকাশ দেখাৰ এতিয়াও সেই ভীৰু অভিলাষ ?
মুকলি আকাশ চিনিব পাৰিবা চকুৰ গুচাই পুৰণি কাঁচ ?
ৰ'দৰ তাপত ভাগি যদি যায় গতত বন্ধা চকুৰ সাঁচ।
(ভয় লাগেচোন) কিজানিবা তুমি যোৱা বুজি পায়

এমাডিমা এই ল'ৰাবোৰে দেখোঁ
পাতিছে নতুন খেলাৰ লাস ।

একুৰিয়ামৰ বন্দীমাছ চকুত ভগ্ন ৰঙীন কাঁচ
কাঁচৰ দেৱাল চকুৰে নমনি ভাৱিছা— এয়ে স্বৰ্গবাস।
লাজ নালাগিল হাঁহিবলৈ' হেঙা মুকলি পাখিৰ চৰাইজাক
কণ্ঠত যাৰ বাজিব লাগিছে নতুন গীতৰ সুৰীয়া মাত।
শংকৰে কি ক'লে : ততৈত্ৰৰ গংগা যমুনা চ০০০?
সকলো নদী ইয়াতে আছিল
তুমি নেদেখিলা বন্দী মাছ।
কাঁচৰ চকুত নৰৰ সাঁচ কিদৰে বহে ?
নাপ'লা চিনি কাঁচৰ মাছ। নদীৰ পানীত নহল বাস।

নকওঁ তোমাক বন্দী মাছ :

ক্ষুদ্ৰং হৃদয় দৌৰ্বল্যং ত্যক্ত্বোত্তিষ্ঠত
ডাচ কেপিটেল পঢ়া বাকী ৰ'ল
ৰ'ল যদি ৰওক। নালাগে পঢ়িব।
চিৰঞ্জীৱনৰ বাকীৰ ঘৰত সাঁচি ৰাখিলে পুণ্য হব ।
একুৰিয়ামৰ বন্দী মেল। পুৰণি সকলো পুৰণি খেল।
চমক লগোৱা তালুকি ভালুকি—ৰহন চৰোৱা ইলুটি সিলুটি
ৰংচঙীয়া শিলগুটিবোৰ ভাবিছা সেয়ে খাতুৰ খাদ
শিলগুটিৰে নোৱাৰে বাঢ়িব নতুন কৰি নতুন বেৰ।
একুৰিয়ামৰ নাবাঢ়ে ম্যাদ।
সাগৰমুখী নদীৰ সোঁতত যোৱা চেলেকনা হলেও ভাল।
বুজি পায় সি নদীৰ সোঁত জঁাজিৰ জোঁট সোঁতৰ ভাল ।

তুমি যে নহলা কিয় চেলেকনা
একুৰিয়ামৰ বন্দী মাছ
চকুত ভগ্ন ৰঙীন কাঁচ

কাঁচৰ দেৱাল কাঁচৰ দেশ তাৰ মাজতে ইলুটি সিলুটি
ইহাত সিহাত যিমান পাৰা সিমান ভাঁজ।
দস্যু ক'ৰবাত আদি কৰি হয়— সেই কথা ভাৱি কি হ'ব লাভ ?

নাচা যিমানে সিমান ভাল
গতত বন্ধা সাঁচৰ মাজত কিহৰ লাজ ॥

# যদি আমাৰ দাবী সংবিধান বিৰোধী তেন্তে………

—হৰিণ মহন্ত

এ দন ত্বদিনকৈ নহয় সম্পৃ দুই বছৰ ১১ মাহ ১৮ দিন ধৰি আৰু ৬০ (ষাঠিকোটি টকা খৰচ কৰি ৰচা হৈছিল ভাৰতীয় সংবিধান । এনেদৰেই পৃথিবীৰ ভিতৰতে সৰ্ব্ববৃহৎ সংবিধান এখন সৃষ্টি হৈছিল । দাবী কৰা হৈছিল পৃথিবীৰ ভিতৰতে এয়া চমৎকাৰ সৃষ্টি বুলি । আমেৰিকা, বৃটিছ, কানাডা, অষ্ট্ৰেলিয়া আৰু জাপানৰ পৰাও অনু কৰণ কৰা হল বহুত; যাতে এই সংবিধানত ত্ৰু্টী নাথাকে । সংবিধানৰ ১ম নকলটো আলোচনা কৰোঁতেই সেয়েহে ৭৬৩৫ টা সংশোধনী প্ৰস্তাৱ দিয়া হৈছিল আৰু তাৰে ২৪৭৩ টা আলোচনাও হৈছিল কাৰ্য্যকৰী ভাৱে । এই সংবিধানকে গীতা ভাগৱত বাইবেল কোৰাণৰ দৰে শ্ৰদ্ধা কৰিবলৈ শিকোৱা হৈছিল । সেয়ে এসময়ত পাকিস্তানৰ সামৰিক শাসক জিয়া উল হকে তাচ্ছিল্যৰ সুৰত ‘সংবিধান মাত্ৰ কেই পৃষ্ঠা মাজৰ এখন কিতাপতকৈ একো নহয়’ বুলি মন্তব্য কৰোঁতে কাণ ঠহ ঠহাই-ছিল । পিচে সামৰিক শাসকে কামৰোৰ নগ্নৰূপত কৰে আৰু বেসামৰিক চৰকাৰে ৰহন সানি কৰে । তফাৎ এয়ে ।

ৰহণ কেনেকৈ সানে? আজি যি গৰাকী প্ৰধান মন্ত্ৰীৰ সংবিধানৰ প্ৰতিথকা মনোভাব জিয়াৰ দৰেই আৰু তাৰেই পৰিণতিত নিজৰ মত বাহাল ৰাখি-বৰ বাবে দেশখনক অশান্তিৰ মাজলৈ ঠেলি দিছে দেশত জুই জ্বলাইছে, সেই গৰাকী প্ৰধানমন্ত্ৰীয়েই

---

মাৰ্ক্স'বাদী সমালোচক…… (৪ পৃষ্ঠাৰ পিছৰ পৰা)

বৃহৎ জাতিসুলভ বৰভাইসুলভ ‘দাদাগিৰি’ পৰিহাৰ কৰিব । অসমৰ ৰাইজৰ ন্যায্য গণতান্ত্ৰিক দাবী-সমূহ মানি ল’বলৈ কেন্দ্ৰীয় চৰকাৰৰ দাবী জনাব । তেতিয়াহে অসমৰ ৰাইজৰ হেৰোৱা বিশ্বাস (ভাৰ-তীয় জনগণ আৰু ৰাষ্ট্ৰৰ প্ৰতি) পুনৰ ঘূৰি আহিব আৰু ৰ্ভয়ে অসমৰ বিকাশৰ বাবে কাম কৰিব পাৰিব

কেন্দ্ৰীয় চৰকাৰৰ অথবা হেমাহিৰ ফলত আৰু শোষকশ্ৰেণীৰ ষড়যন্ত্ৰৰ ফলত যিসকলৰ প্ৰাণহানি হৈছে সেইসকল শ্বহীদৰ প্ৰতি, নামী অনামী অখ্যাতসক লৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ভাৰত চৰকাৰ আৰু ভাৰতৰ গণতান্ত্ৰিক ৰাইজৰ ওচৰত দাবী দৃঢ়ভাবে তুলিধৰা প্ৰয়োজন । অধিক প্ৰাণহানি, ভুল বুজা-বুজিৰ বিপদতেহে দূৰ হ’ব ।

এখন ৰাষ্ট্ৰৰপৰা ‘বিদেশী’ বিতাড়ন চন তাৰিখৰ প্ৰশ্ন (৫১ নে ৭১) নহয় । নীতিগত প্ৰশ্ন । ইয়াৰ সমাধানো লাগে নীতিগত । যি বিদেশী তাক চিনাক্তকৰণ কৰি নিজ নিজ দেশলৈ গণতান্ত্ৰিক ভাবে প্ৰত্যাবৰ্তনৰ পথ মুকলি কৰিব লাগে । অথবা হেমাহি আৰু কালবিলম্বই অসমত জটিলতা অধিক বৃদ্ধি কৰিছে । সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধিৰ বিপদো আছে । সেয়ে যিমান পাৰি সিমান সোন-কালে এই সমস্যা সমাধানৰ বাবে কাম কৰিবলৈ আমি সকলো গণতান্ত্ৰিক শক্তি আৰু ভাৰত চৰ-কাৰক দাবী কৰা প্ৰয়োজন । লগে লগে আমি দূৰদৃষ্টিহীন শক্তিসমূহে যাতে অসমৰ ৰাইজক ভুল-পথে নিব নোৱাৰে তাৰ বাবেও কাম কৰি যোৱা প্ৰয়োজন ।

মাৰ্ক্স'বাদী সমালোচকসকলে পাহৰি যোৱা ভুল যে ‘অসমীয়া জাতিৰ আত্মৰক্ষাৰ’ প্ৰশ্নটো এটা মানবীয় প্ৰশ্ন । মানবীয় অধিকাৰৰ দোহাই দিলেই নহয়- মানবীয় অধিকাৰ, অস্তিত্বৰক্ষাৰ অধিকাৰ অসমীয়াৰ আছে । সেই অধিকাৰ সাব্যস্ত কৰি-বলৈ যাওঁতে মস্কো, ওৱাছিংটন বা লণ্ডনৰ নিৰ্দেশ প্ৰয়োজন নহয় । প্ৰয়োজন এক স্বাধীন বিবেক আৰু অদম্য প্ৰতিৰোধ শক্তিৰ । ‘আমৰা বাঙালী’ তথা ভূপাল ঘোষৰ দল কিম্বা জ্যোতি বসুৰ দলৰ মানবীয় অধিকাৰৰ দোহাই দিবলৈ গৈঅসমীয়াৰ মানবীয় অধিকাৰ বলি দিব পৰা নাযায় ।

* * * *



✱ বহিৰাগতক ভূমি পট্টা দিয়া বন্ধ কৰক ॥

OKDISCD

সৰ্ববৃহৎ সংবিধানখন আৰু দীঘল কৰিছিল এটা বিশেষ অনুচ্ছেদ যোগ কৰি আৰু ঢাকি ৰাখিব বিচাৰিছিল তেওঁৰ সংবিধানৰ প্ৰতি থকা অৱজ্ঞাৰ মনোভাব । এই বিশেষ অনুচ্ছেদ টো হৈছে মৌলিক কৰ্তব্য নামৰ ৫১(ক) । এই মৌলিক কৰ্তব্যৰ ১মটোতে কোৱা হৈছে যে এই সংবিধান মানি চলা আৰু ইয়াৰ আদৰ্শ আৰু অনুষ্ঠান জাতীয় সঙ্গীত আৰু জাতীয় পতাকা সন্মান কৰা প্ৰত্যেক নাগৰিকৰে কৰ্তব্য । এইদৰেই আৰু দহোটা কৰ্তব্য সন্নিবিষ্ট কৰা হৈছিল ৪২তম সংশোধনী বিলৰ যোগেদি । এই ধাৰাটো পঢ়িলে কোনোবাই সপোনতো ভাবিব পাৰেনে যে এইগৰাকী নেতাই সংবিধান বিৰোধী কাম কৰিব পাৰে বুলি । কিন্তু এনে সংশোধন কৰা হৈছিল চালাকিৰে সংবিধানখন গচকি পেলাবৰ বাবে । ৪২ তম সংশোধনী বিলৰ পূৰ্ণ বিৱৰণ আৰু আজিৰ সংগ্ৰামে তাকেই প্ৰতিপন্ন কৰে । মৌলিক কৰ্তব্য সমূহ পালনত ব্যৰ্থ হলে শাস্তি বিধানৰ আইন ৰচনা কৰাৰ কথাও কোৱা হৈছিল । তাতোতকৈ হাস্যকৰ কথা হৈছে যে এই কৰ্তব্য অজ্ঞতাৰ বাবে কোনেও যাতে পালন নকৰাকৈ নাথাকে তাৰ বাবে পাঠ্যক্ৰমত এই সমূহ সুমুৱাই দিয়াৰ কথাও কৈছিল । আজি স্বয়ং প্ৰধান মন্ত্ৰীয়েই অৰ্থাৎ এই কৰ্তব্যৰ সৃষ্টি কৰ্ত্তাই নিজেই সেই অপৰাধত অপৰাধী ।

এই দৰেই অসমক শিকাইছে যে —

সংবিধান এখন থাকিলেই চৰকাৰে তাক মানি নচলিবও পাৰে । এনেক্ষেত্ৰত জনসাধাৰণৰ কৰ্ত্তব্য কি হব ? এই প্ৰশ্নটোৰ উত্তৰ সংবিধানত নাই । যাৰ ফলত গোটেই সংবিধান খনেই অৰ্থশূন্য হৈ পৰিছে । গতিকে আজিৰ অভিজ্ঞতাই আমাক কৈছে যে ক্ষমতাত থকা সকলৰ সংবিধান বিৰোধী কাৰ্য্যকলাপ ৰোধিবলৈ এক ব্যৱস্থা নাথাকিলে জন সাধাৰণ অত্যাচাৰৰ সন্মুখীন হয় । এই নতুন অভিজ্ঞতা অসমে ভাৰতবাসীক দিছে । দ্বিতীয়তে সঁচাকৈয়ে হওক মিছাকৈ হওক ৰাষ্ট্ৰদ্ৰোহী কামত আগভীয়াকৈ বাধা দিবলৈ চৰকাৰৰ পক্ষৰ বহুতো ক'লা আইন আছে । তেনে ক্ষেত্ৰত জনসাধাৰণৰ হাতত চৰকাৰৰ সংবিধান বিৰোধী কাৰ্য্য অগত্তীয়াকৈ ৰোধ কৰাৰ কি ব্যৱস্থা আছে । এই ক্ষেত্ৰত সংবিধানৰ ১৪৩ অনুচ্ছেদটো উল্লেখযোগ্য । কিন্তু এইটো কেৱল ৰাষ্ট্ৰপতিৰ বাবেহে মুকলি আছে । ১৪৩ অনুচ্ছেদ টোৰ অনুবাদ তলত দিয়া হল ।

**অনুচ্ছেদ ১৪৩ ।**

উচ্চতম ন্যায়ালয়ৰ সৈতে ৰাষ্ট্ৰপতিয়ে আলোচনা কৰাৰ ক্ষমতা । (১) এনে এক ঘটনা অথবা আইনৰ প্ৰশ্ন সৃষ্টি হৈছে অথবা সৃষ্টি হবৰ উপক্ৰম হৈছে যিটো ৰাজহুৱা ভাৱে ইমান গুৰুত্বপূৰ্ণ যে উচ্চতম ন্যায়ালয়ৰ লগত আলোচনা কৰাটো অতি জৰুৰী তেতিয়া তেওঁ এইটো উচ্চতম ন্যায়ালয়লৈ বিবেচনাৰ কাৰণে পঠাব পাৰে । আদালতেও এনে শুনানীৰ পাচত আদালতৰ মতামত দিব পাৰে ।

আজি অসমৰ সংগ্ৰামী সকলে কি কৈছে ? বাৰে বাৰে কৈছে সংবিধানক মানি চলিম । তেতিয়াহলে ১৯৭১ চনত সময়সীমা বন্ধাটো সংবিধান সন্মত হবনে নহয় এইটোৰ স্পষ্টীকৰণ চৰকাৰে উচ্চতম ন্যায়ালয়ৰ যোগেদি ১৪৩ অনুচ্ছেদ প্ৰয়োগ কৰি দিওৱাব নোৱাৰে কিয় ? এই আন্দোলনৰ ৰাজহুৱা গুৰুত্ব নাইনেকি ? এই আন্দোলনত সংবিধানৰ প্ৰশ্ন জড়িত নাই নেকি ?— যদি আমাৰ দাবী সংবিধান বিৰোধী তেন্তে চৰকাৰৰ কৰ্ত্তব্য তাক প্ৰমাণ কৰা ।— দমন কৰাটো নহয় ।—

এইদৰেই আজিৰ আন্দোলনৰ শান্তিপূৰ্ণ মীমাংসাৰ বাবে শেষ পথ হৈছে সংবিধানৰ ১৪৩ অনুচ্ছেদ মতে বৰ্ত্তমানৰ দাবীবোৰৰ আৰু চৰকাৰৰ মতামতৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ যোগেদি মীমাংসা কৰা । কিয়নো ইয়েই নহলে বিদেশী নাগৰিকৰ সম্পৰ্কত আজি যি আন্দোলন গঢ় লৈ উঠিছে সেয়া সাংবিধানিক হয়নে নহয় তাৰ উত্তৰ কোনে দিব ? ছাত্ৰ সন্থা বা গণ সংগ্ৰাম পৰিষদৰ দাবী চৰকাৰে নামানে । আমাৰ দাবী মনাবৰ বাবে আমি আন্দোলন কৰিছো আৰু চৰকাৰে চৰকাৰৰ দাবী মনাবৰ বাবে দমন

OKDISCD

নীতি চলাইছে ; সাম্প্ৰদায়িকতাৰ জুই জ্বলোৱাত ইন্ধন যোগাইছে। মধ্যস্থতা কোনে কৰিব ? স্পষ্ট কথা আন্দোলনকাৰীয়ে সংবিধানৰ মধ্যস্থতা মানি লম বুলি কৈছে। উপৰোক্ত ধাৰাটোৰে স্পষ্ট কয় যে ভাৰতীয় উচ্চতম ন্যায়ালয় কেৱল গোচৰ নিষ্পত্তিৰে অনুষ্ঠান নহয়। ই সংবিধান ব্যাখ্যাৰ এটা চূড়ান্ত কৰ্তৃত্বসম্পন্ন অনুষ্ঠান। সেয়েহে যদি আমাৰ দাবী সংবিধান বিৰোধী তেন্তে চৰকাৰে দমন নীতিৰ পৰিবৰ্তে উপৰোক্ত ধাৰা ব্যৱহাৰেৰে তেওঁলোকৰ সমাধান সূত্ৰৰ সাংবিধানিক বৈধতাৰ ব্যাখ্যা বিচাৰি উচ্চতম ন্যায়ালয়ৰ কাষ চাপক। তেতিয়া প্ৰধান মন্ত্ৰীৰে নিজৰে সৃষ্টি "মৌলিক কৰ্ত্তব্য"ৰ প্ৰতি সন্মান জনোৱা হব। আন্দোলনকাৰী সকলেও উচ্চতম ন্যায়ালয়ৰ মত বিবেচনা কৰিব পাৰিব। তেতিয়া হলে উভয়পক্ষৰে সংবিধানৰ প্ৰতি থকা শ্ৰদ্ধা প্ৰমাণিত হব। ছাত্ৰ সন্থা তথা গণসংগ্ৰাম পৰিষদেও এই অনুচ্ছেদৰ প্ৰয়োগৰ বাবে দাবী জনাই তাৰ ভিত্তিত চূড়ান্ত কাৰ্য্যসূচী লোৱা উচিত হব। চৰকাৰেও ইয়াকে নকৰি কেৱল দমন নীতি প্ৰয়োগ কৰিলে ভাৰতবাসীৰ আগত নিজৰ চৰিত্ৰ ওলাই পৰিব।

শান্তিপূৰ্ণ মীমাংসাৰ বাবে আজি উচ্চতম ন্যায়ালয়ৰ বাদে অন্য অনুষ্ঠান শেষ হৈ গৈছে। আজি ভাৰতবাসীয়ে জনা উচিত যে চৰকাৰে সংবিধান অবমাননা কৰাৰ বাবেই আজি অসমত এই পৰিস্থিতি হৈছে। ভাৰতৰ বৰ্ত্তমানৰ মুখ্য বিচাৰপতি সন্মানীয় ন্যায়াধীশ চন্দ্ৰচুড়ে কবৰ দৰে "Whatever pleases the emperor has the force of law is not an Article of Democratic faith" গতিকে ইন্দিৰা কংগ্ৰেছে যিটোকে ভাল পায় সিয়ে ভাৰতৰ সংবিধান হব নোৱাৰে। সেয়েহে উচ্চতম ন্যায়ালয়ে আমাৰ আশা পূৰ্ণ কৰিব বুলি আমি ভাবিব পাৰো।

# অসমৰ চাহ শ্ৰমিকসকলৰ সংগ্ৰামী চেতনা সন্দৰ্ভত

দীনেশ্বৰ তাছা (সভাপতি, অসম চাহমজদুৰ জনজাতি ছাত্ৰ সন্থা)

কাছাৰ জিলা বাদদিলে অসমত সৰ্ব্বমুঠ ৬৪৫ খন চাহ বাগিচা আছে আৰু প্ৰায় ৩ লাখ ৮৭ হেজাৰ ৫ শ জন নিগাজী চাহ শ্ৰমিকে মজুৰি খাটে। প্ৰতি হেক্টৰত কমেও ৫ জনকৈ নিগাজী চাহ শ্ৰমিক থাকিব লগা ১ লাখ ৫৫ হেজাৰ হেক্টৰ চাহনিত নিগাজী শ্ৰমিকৰ প্ৰায় সমসংখ্যক ফাল্টু শ্ৰমিকে অস্থায়ী মজুৰি খাটি আহিছে। অসমৰ এই চাহনিয়ে ন্যূনতম ২৫ কোটি ৫০ লাখ কিলোগ্ৰাম চাহ উৎপন্ন কৰে। এই চাহৰ পৰা কিমান টকা উপাৰ্জ্জন হয়, কিমান বৈদেশিক মুদ্ৰা উপাৰ্জ্জন হয়,— সংগ্ৰামী অসমীয়া মাত্ৰকে মুখস্থ হৈ আছে। বিশ্বৰ লগত সাঙোৰ খাই থকা অসমৰ এই চাহ উদ্যোগৰ নিগাজী আৰু ফাল্টু চাহ শ্ৰমিকসকলে পাত আৰু গুটিৰ পৰা চাহ পুলি কৰা, ৰোৱা, আপডাল কৰা, পাত তোলা, পকা পাত তৈয়াৰ কৰা আনকি বাকচত ভৰাই বিশ্ব-বজাৰলৈ উলিয়াই দিয়ালৈকে সকলোখিনি কাম কৰে, সকলোখিনি কাম জানে কিন্তু চাহৰ মূল্য বজাৰৰ বেচা-কিনা পদ্ধতি, কি পদ্ধতিত কাৰ দ্বাৰা বিক্ৰী-মুনাফা হয় এওঁলোকৰ শতকৰা এশজনেই নেজানে। লাগতিয়াল অৰ্থনৈতিক পৰিকল্পনা, পৰিচালনাৰ অৰ্হতা, কৌশলগত ব্যুৎপত্তি আৰু বিশ্ব বজাৰৰ দৰে বিষয়ত চাহ শ্ৰমিকসকলৰ অন্ধতা বা অজ্ঞতাই উদ্যোগপতি বা কোম্পানীয়ে এওঁলোকৰ ওপৰত সামন্ততান্ত্ৰিক শোষণ শাসন আৰু লুণ্ঠন চলোৱাৰ প্ৰধান উৎস।

স্বাধীনতাৰ পৰৱৰ্ত্তী কালছোৱাত শ্ৰমিক আন্দোলনৰ নামত অসমৰ চাহ-শ্ৰমিকসকলৰ মাজত অসম চাহ মজদুৰ সংঘ, অসম চাহ কৰ্ম্মচাৰী সংঘ আদি যিবোৰ শ্ৰমিক সংগঠনৰ জন্ম হল, সেইবোৰৰ যোৱা ৩৩ বছৰীয়া কাণ্ড-কাৰখানালৈ উলটি চালে দেখা পোৱা যায় যে দেশৰ ৰাজনৈতিক স্থিৰতা



OKDISCD

ৰক্ষাৰ বাবেই চাহ উদ্যোগৰ সামন্ততান্ত্ৰিক গাঁথনি অধিক মজবুত কৰিবৰ বাবেই এই দুটা সংগঠন খোলা হ'ল। শ্ৰমিক সংগঠনৰ ছাবটো কেৱল মাৰিলৈ শ্ৰমিক সংগঠনৰ সকলো নীতি-নিয়ম বিসৰ্জ্জন দি উদ্যোগপতি আৰু কোমপানীবোৰৰ স্বাৰ্থ ৰক্ষাৰ বাবেই সমস্ত সেৱা ধৰ্ম্ম নিয়োজ্জিত কৰে। শাসকৰ গাদীত থকা ৰাজনৈতিক দলে শ্ৰমিক সংগঠনৰ কৰ্ম্মকৰ্ত্তাসকলক একো একোটা টোপ দি ৰাখি ভলণ্টিয়াৰ খটুৱাই ৰাখিবলৈ সমৰ্থ হ'ল আৰু এওঁলোক একো গৰাকী অন্ধস্তাৱকত পৰিণত হ'ল। অসমৰ চাহ শ্ৰমিক শ্ৰেণীৰ জনসাধাৰণৰ ওপৰত এওঁলোকে ৰামুমাসৰ দৰেই থিতাপি ললে আৰু সাম্প্ৰতিক অসমৰ জাতীয় আন্দোলনৰ চূড়ান্ত মুহূৰ্ত্তলৈকে বাস্তৱৰ সন্মুখীন হবলৈ সাহস গোটাব নোৱাৰিলে। অসমৰ সাধাৰণ নিৰ্ব্বাচনবোৰত টকাই এক সুকীয়া স্থান অধিকাৰ কৰি আছে আৰু সৰ্ব্বভাৰতীয় ৰাজনৈতিক দলবোৰে টকাৰ জোৰত এই ৰঘুমলাৰূপী স্তাৱকসকলক একোজন সুন্দৰ চাম্চা বা খেমাধৰালৈ ৰূপান্তৰ কৰে। ফাঁকি ফুকাঁৰে অজ্ঞ শ্ৰমিক ভোটাৰক ফুচুলাই দুই এটকা দি মদ-পানী খুৱাই ৰাজনৈতিক গাদী দখল কৰাটোৱেই এওঁলোৰৰ একমাত্ৰ ধান ধাৰণা। চাহ উদ্যেগপতি বা কোম্পানীবোৰে নিৰ্ব্বাচন খেলিবলৈ লাখ লাখ টকা অনুগত ৰাজনৈতিক দলবোৰক ঘোচ দিয়ে আৰু শ্ৰমিকৰ ওপৰত লুণ্ঠন শোষণ অব্যাহত ৰখাৰ সুবিধা আদায় কৰে, লাইচেন্স পায়।

চাহ শ্ৰমিকসকলক অতীজৰ পৰাই জন-সংস্পৰ্শৰ পৰা আঁতৰত ৰখা হৈ আহিছে আৰু এওঁলোক যাতে আত্ম-সচেতন হ'ব নোৱাৰে, মেনেজাৰ তথা শ্ৰমিক সংগঠনৰ কৰ্ম্মকৰ্ত্তাসকলে সততে চকু ৰাখে। শ্ৰমিক সংগঠনৰ উপৰিও চাহ উদ্যোগপতিসকলে ভাৰতীয় চাহসন্থাৰ অসমশাখা (এ-বি আই-টি-এ), ভাৰতৰ চাহ সন্থা (টি-এ-আই), ভাৰতীয় চাহ পৰিষদ (বি-চি পি) আৰু অসম চাহ খেতিয়ক সন্থা (এ-টি-পি-এ) নামৰ চাৰিটা জঘন্যতম সংগঠন জীয়াই ৰাখিছে। কাছাৰ জিলা বাদ দি অসমৰ চাহ বাগিচাবোৰত অসম চাহ মজদুৰ সংঘ আৰু অসম চাহকৰ্ম্মচাৰী সংঘৰ বাহিৰে অন্য কোনো শ্ৰমিক সংগঠনে যাতে গা কৰি উঠিব নোৱাৰে তাৰ বাবেই উক্ত চাৰিটা চাহ সন্থাৰ সৃষ্টি। মানৱতাবাদী মেনেজাৰসকলে ব উদ্যোগপতিসকলে যাতে চাহ শ্ৰমিকসকলক মানুহ হ'বলৈ সুযোগ সুবিধা দিব নোৱাৰে, তাৰ বাবেই এই চাহ সন্থা চাৰিটা গঢ়ি তোলা হৈছে। এওঁলোকক এক প্ৰকাৰ অসম চাহ মজদুৰ সংঘ আৰু অসম চাহ কৰ্ম্মচাৰী সংঘৰ কৰ্ম্মচাৰী বুলি কলেও বৰ বেছি বঢ়াই কোৱা নহয়। ট্ৰেড ইউনিয়ন সম্বন্ধীয় একো এটা কথা নজনা গাদীলোভী কিছুমান অলগদ্ধক উক্ত দুটা শ্ৰমিক সংগঠনত বহুৱাই ৰাখি এই চাহ সন্থা চাৰিটাই তেওঁলোকক চলাই ৰাখিছে। কাগজী প্ৰস্তাৱেৰে সমৰ্থন জনালেও যোৱা মে'মাহৰ আগলৈকে সক্ৰিয়ভাৱে আন্দোলনত সহযোগ নকৰাৰ মূল কাৰণো এয়েই। গুৱাহাটীৰ জৱাহৰনগৰৰ কংগ্ৰেছ অধিবেশনলৈ ট্ৰাকে ট্ৰাকে শ্ৰমিক পঠিয়াব পৰা শ্ৰমিক সংগঠনে, জৰুৰী অৱস্থাকালত ৰাজদৰবাৰত বহুৱালি কৰা বুলি জনাজাত এজনক যোৰহাট কাছাৰী ময়দানৰ সভাত ২৫ হেজাৰ টকা ঘোচ দিয়া শ্ৰমিক সংগঠনে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত কিমান ট্ৰাক শ্ৰমিক উলিয়াইছিল বা কিমান টকা আগবঢ়ালে সেইয়া নতুন পুৰুষৰ বিচাৰ্য। চাহ শ্ৰমিকসবলক লুণ্ঠন আৰু শোষণ কৰা বাধা জন্মাব পৰা কোটি কোটি টকাৰ এটা সামান্য অংশ সাধাৰণ নিৰ্ব্বাচনবোৰত খৰচ কৰা আৰু এইখিনি কাম কৰিবৰ কাৰণে গোপন প্ৰতিশ্ৰুতি দিয়া অনুগত ৰাজনীতিজীৱী সকলক জিকাবৰ বাবে সমস্ত শক্তি প্ৰয়োগ কৰাৰ বাবেই উপৰোক্ত চাৰিটা চাহ সন্থাৰ সৃষ্টি হৈছে।

প্ৰধানমন্ত্ৰীয়ে যোৱা ১২ এপ্ৰিলত অসমত বিদেশী নাগৰিকসকলক উৎসাহ-উদ্দীপনা যোগাবৰ কাৰণে আহি গুৱাহাটী প্ৰেছমেলত সাম্প্ৰতিক জাতীয় আন্দোলনৰ বিৰুদ্ধে চাহ শ্ৰমিকসকলৰ প্ৰতিনিধিয়েও

✳ অসমীয়া ভাষা সকলো পঢ়াশালিতে বাধ্যতামূলক কৰক আৰু জনজাতি প্ৰধান অঞ্চলবোৰত জনজাতি ভাষাত পৰ্য্যায়ক্ৰমে শিক্ষা লোৱাৰ সুবিধা দিয়ক ॥



OKDISCD

আপত্তি কৰা কথা প্ৰকাশ কৰি গৈছে। কিন্তু কোনো সংজ্ঞাতী দল বা প্ৰতিনিধিয়ে প্ৰধানমন্ত্ৰীক লগ ধৰা নাছিল। আপত্তিও কৰা নাই। অসম চাহ মজদুৰ জনজাতি ছাত্ৰ সন্থাৰ বৰ্ত্তমান নেতাসকলৰ বাহিৰে চাহ শ্ৰমিক সকলৰ মাজত কোনো খামিডাঠ নেতা বা মানুহ নাই। শ্ৰমিক সংগঠনবোৰৰ কৰ্ম্মকৰ্ত্তা সকলেও কোনো প্ৰতিনিধি পঠোৱা নাই, সেইকণ সৎসাহ সিহঁতৰ নাই। মদৰ মহলৰ ডাক লওঁতে কাগজে কলমে বিভিন্ন সম্প্ৰদায়ৰ প্ৰতিনিধি দেখুৱাবলৈ একচেটীয়া মদ-ব্যৱসায়ী সকলে কিনি লোৱা বিভিন্ন সম্প্ৰদায়ৰ কিছুমান ধেমাধৰা বা চামচা ৰখাদৰেই অসমৰ সাম্প্ৰতিক জাতীয় আন্দোলনক বিকৃত ৰূপ দিবলৈ প্ৰধানমন্ত্ৰীয়েও বোধহয় চাহ উদ্যোগপতি বা চাহ সন্থাবোৰৰ প্ৰযত্নত তেনে চামচা বা ধেমাধৰাকে প্ৰতিনিধি সজাই প্ৰেছমেলত ভাষণ দি গ'ল। কিন্তু সেইবোৰ চাহ শ্ৰমিকৰ প্ৰতিনিধি কোনোপধ্যে হ'ব নোৱাৰে। অৱশ্যে তেনে যেন সন্দেহ এটা আহি যায়। কিয়নো অসম চাহ মজদুৰ জনজাতি ছাত্ৰ সন্থাই যোৱা ১৯৭৯ চনৰ ডিচেম্বৰ মাহৰ দ্বিতীয় সপ্তাহত গ্ৰহণ কৰা আৰু শ্ৰমিক সংগঠনবোৰক আগবঢ়োৱা প্ৰস্তাৱ অনুযায়ী প্ৰতিখন চাহ বাগিচাতে বাগিচা পৰ্য্যায়ৰ প্ৰাথমিক সংঘবোৰে গণসংগ্ৰাম সমিতিলৈ ৰূপান্তৰ নহ'ল। ফলত হোজা, নিৰীহ নিৰক্ষৰ চাহ শ্ৰমিক সকলে জাতীয় আন্দোলনৰ পূৰাপূৰি সোৱাদ লবলৈ নেপালে। অসমৰ স্বাৰ্থবিৰোধী দেশী-বিদেশী চাহ উদ্যোগপতি আৰু চাৰিটা চাহ সন্থাই অসমৰ জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ চাহ শ্ৰমিকসকলক লেশমানো উৎসাহ নোযোগালে। ধনেজনে শকত শ্ৰমিক সংগঠনবোৰে সিহঁতক ভয়ত সক্ৰিয়তা নেদেখুৱালে, হলেও অসমৰ চাহ শ্ৰমিক সাধাৰণভাৱে জন আন্দোলনৰ পূৰ্ণসমৰ্থনত আৰু ঠায়ে ঠায়ে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছে আৰু যোৱা এপ্ৰিল মাহৰ পৰা অতিশয় বৃদ্ধি হ'ল।

সদায় জনসংস্পৰ্শৰ পৰা আঁতৰত থকা চাহ শ্ৰমিকসকলে খৰতকীয়াকৈ সলনি হৈ অসমখনৰ নিয়ম-কানুন, চাল-চলনৰ লগত নিজকে খাপখুৱাই লবলৈ অসমৰ্থ হোৱাটো সঁচা কথা। সাম্প্ৰতিক জাতীয় আন্দোলনৰ ৰূপৰেখা নজনা নিৰীহ চাহ শ্ৰমিকসকলক অসম আৰু অসমীয়া বিৰোধীচক্ৰই বিপথে পৰিচালিত কৰাৰ আশংকা সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে এই কাৰণতেই কৰিবলগা হৈছে আৰু সততে চকু ৰাখিব লগা হৈছে। যোৱা ২৬ মে'ৰ পৰা ইন্দিৰা কংগ্ৰেছদলৰ আশীৰ্ব্বাদপুষ্ট বিদেশী নাগৰিকসকলে সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ নামত নগাওঁ, দৰং, কামৰূপ আৰু গোৱালপাৰা জিলাত যি উপদ্ৰৱ কৰিছে, অহিংস, সংযত, শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক আন্দোলনক গান্ধীবাদী ইন্দিৰা চৰকাৰৰ প্ৰতিনিধি ছাৰিণ ঋকুমূৰ্ত্তি-বাৰেজা-চন্দৰ ৰাজ্যিক প্ৰশাসনে পুলিচ মিলিটাৰীৰে দমন কৰাৰ চক্ৰান্ত কাৰ্য্যকৰী কৰাত উৎসাহ যোগাইছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক প্ৰশাসনে বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ পৰিৱৰ্ত্তে সংগ্ৰামী অসমীয়াক নিঃশেষ কৰাৰ বাবে কঁকালত টঙালি বান্ধি প্ৰস্তুত হৈছে। ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্য, সংহতি আৰু সাৰ্ব্বভৌমত্বৰ ওপৰত গুৰুত্ব আৰোপ নকৰি, ভাৰতীয় সংবিধানক ভৰিৰে গচকি ৰাখি নাগৰিক আৰু বিদেশী নাগৰিক বছাৰ একমাত্ৰ ভিত্তিবছৰ ১৯৫১ চন আৰু ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীক উলংঘা কৰি প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে বিভাজন আৰু শাসন পদ্ধতিৰে অসমীয়া সংগ্ৰামী জনতাক দমন কৰিবলৈ বিচাৰিছে। কিন্তু সংগ্ৰামী চাহ শ্ৰমিক অসমীয়াই বিদেশী নাগৰিকসকলক ধিং, চামগুৰি, জুৰিয়া, ৰূপহী, নগাওঁ, বটদ্ৰৱা, আদি নগাওঁ জিলাৰ বা বিজনী, লেংটিছিঙা, ধৰমপুৰ, হাউলী, বৰপেটাৰোড, নগৰবেৰা, মুকালমুৱা আদি গোৱালপাৰা কামৰূপ জিলাৰ বিদেশী অধ্যুষিত ঠাই হ'বলৈ এৰি নিদিব। অসম চাহ মজদুৰ সংঘ, অসম চাহ কৰ্ম্মচাৰী সংঘ, সদৌ অসম চাহ শ্ৰমিক সংঘ, সদৌ অসম ভাৰতীয় মজদুৰ সংঘ, অখিল ভাৰতীয় চাহ

**✳ সাম্প্ৰদায়িক বিভেদ, সামাজিক কুসংস্কাৰৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলি জাতীয়ঐক্য সুদৃঢ় কৰক ॥**



OKDISCD

প্ৰতিবাদৰ কণ্ঠ'লৈ শুভেচ্ছাৰে

## আৰ্মছ ইণ্ডিয়া কোং

জে, বি, ৰোড ; যোৰহাট

শুভেচ্ছাৰে

## "আৰ্টলেণ্ড"

তৰাজান, যোৰহাট

প্ৰতিবাদৰ কণ্ঠলৈ শুভেচ্ছাৰে

## "ষ্টাৰ ৰেষ্টুৰেণ্ট"

চাহ মিঠাইৰ অন্যতম আকৰ্ষণ

তৰাজান যোৰহাট—১

নতুন পুৰুষৰ সাহিত্য প্ৰতিভাৰে সমৃদ্ধ

## ৰঙা সূৰ্য্য! ৰঙা সূৰ্য্য!! ৰঙা সূৰ্য্য!!!

পঢ়ক আৰু পঢ়ুৱাওক

আহক!

## 'শ্ৰীগোপাল মিষ্টান্ন ভাণ্ডাৰ'লৈ

ইয়াত সকলোধৰণৰ উৎকৃষ্ট মিঠাই পোৱা যায়।

এ, টি, ৰ'ড, যোৰহাট

**এটি ঘোষণা :** উত্তৰ পূৰ্বাঞ্চলৰ জন গোষ্ঠী সমূহৰ আলোচনাৰে প্ৰতিবাদৰ কণ্ঠৰ এটি বিশেষ সংখ্যা উলিওৱা হ'ব। অহা ১৫ জুলাই ভিতৰত পোৱাকৈ জনগোষ্ঠীসমূহৰ ওপৰত লিখা প্ৰবন্ধ পাতি পঠাবলৈ লিখক লিখিকা-সকলক অনুৰোধ কৰা হল।

মজদুৰ সংঘ আদি সৰ্বভাৰতীয় শ্ৰমিক সংগঠনৰ লগত লিপ্ত শ্ৰমিক অনুষ্ঠানবোৰে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে আহ্বান জনালে সৰ্বভাৰতীয় যোগাযোগ ছিন্ন কৰিবলৈকো আৰু অসম ভিত্তিত এক সংগঠন হৈ পৰিবলৈকো বোধহয় পিচ নুহুঁহকিব ।●

সম্পাদকীয়— (২পৃষ্ঠাৰ পিছৰ পৰা)

নকৰে। কিন্তু চৰকাৰ-যন্ত্ৰই ইয়াৰেই পৃষ্ঠপোষকতা কৰিছে আৰু তথাকথিত মাৰ্ক্সবাদী চি পি এমে ইয়াৰ নেতৃত্ব ধৰি সমাজবাদৰ বৈতৰণী পাৰ হ'ব বিচাৰিছে। ইয়াৰ পৰিণতি কিমান ভয়াবহ হ'ব — সকলোৱে অনুধাৱন কৰা প্ৰয়োজন ।

সাম্প্ৰদায়িকতা ৰাজনৈতিক সুবিধাবাদীৰ লাভত আহে। ই জনগণৰ অকণো উন্নতি সাধন নকৰে। ইয়াৰ বিৰুদ্ধে জনসাধাৰণে কাম কৰা প্ৰয়োজন। অৱশ্যে এই ক্ষেত্ৰত স্পষ্ট হোৱা প্ৰয়োজন যে বৃহৎ জাতিসমূহৰ গ্ৰাসৰ পৰা নিজ স্বকীয়তা ৰক্ষা কৰিবলৈ ক্ষুদ্ৰজাতিসমূহে যুঁজিবই। বৃহৎজাতিৰ সম্প্ৰসাৰণবাদী ভূমিকাৰ বিৰুদ্ধে ক্ষুদ্ৰজাতি সমূহৰ যুঁজ কেতিয়াও সাম্প্ৰদায়িক হ'ব নোৱাৰে। ●

অসমত ক্ষুদ্ৰ উদ্যোগ গঢ় উঠা সম্ভৱ- ইয়াৰ দ্বাৰা স্বাবলম্বী ও সংস্থান পোৱাটোও সম্ভৱ। তাৰ কাৰণে লাগে অসমীয়াৰ স্নেহ আৰু সহযোগিতা। ইতি

## আলম চেৰুই উদ্যোগ

আমাৰ উৎকৃষ্ট উৎপাদন :—চেৰুই, চাওঁ-চাওঁ, এগ-নভেলচ্, ফেষ্টিভেল টেষ্ট ইত্যাদি।

উদ্যোগ থলী : বাঙালী পথাৰ

ডাকঘৰ :—কলিয়াপানী

বিক্ৰীকেন্দ্ৰ ও কাৰ্য্যালয় :—

নাহৰকটীয়া মৰাণ ৰ'ড (৭৮৬৬১০)

* অসমীয়া ভাষাজ্ঞান নথকা লোকক নিয়োগ ক্ষেত্ৰত সুবিধা দিয়া বন্ধ কৰক। জন-জাতি প্ৰধান অঞ্চলত অসমীয়াৰ উপৰিও জনজাতি ভাষাজ্ঞান থকা লোককহে সুবিধা দিয়ক ॥

OKDISCD

Registration No.— Applied for / Vol. 3 June'80

# আমাৰ স্বাৱলম্বিতাৰ সংগ্ৰাম

— ৰাজীৱ লোচন গোস্বামী

অসমত আন্দোলনে আজি আঠমাহত প্ৰৱেশ কৰিলেহি, সৰু ভ্ৰূণটি বিকশিত হৈ এটি পূৰ্ণাঙ্গ শিশুলৈ ৰূপান্তৰিত হোৱালৈকে ব্ৰহ্মপুত্ৰত বহুতো পানী বাগৰি গ'ল, কিন্তু এতিয়াও এটি পূৰ্ণাঙ্গ শিশুলৈ ৰূপান্তৰিত হবলৈ বহুত বাকী। পাৰ হৈ যোৱা দিনবোৰলৈ উভতি চালে দেখা যায় যে এনে এক আন্দোলনমুখৰ সময়তো আমি আত্মসচেতনতাৰ বিকাশ আশানুৰূপভাৱে কৰিব পৰা নাই। ইয়াৰ যদি লেখ লোৱা হয় এই লেখটো গ্ৰাফ কাগজত শূন্য শূন্য মূলবিন্দুত আৰম্ভ হৈ ওপৰলৈ উঠা সত্বেও ইয়াৰ নতিমাত্ৰা আপেক্ষিক ভাবে কম। বৰ্ত্তমানৰ আমাৰ আন্দোলনক যদি অকল বিদেশী বহিষ্কৰণৰ আন্দোলন বুলি নকৈ অসমীয়াৰ আত্মনিৰ্দ্ধাৰণৰ আন্দোলনৰ প্ৰথম অঙ্ক বুলি কোৱা হয় হয়তো ভুল কোৱা নহব। ২৫০ বছৰীয়া শোষণৰ পলসুৱা বোকাত ওঁঠলৈকে জাহ যোৱা জাতি এটাই বোকাৰ পৰা ওলাই আহিবলৈ কিল বিলাইছে, এতিয়া সমীক্ষা চলোৱাৰ সময় এই কিল-বিলনিত কিমান বোকা আঁতৰি গৈছে।

অসমখন বৃটিছৰ হাতলৈ যোৱাৰ লগে-লগে অসমলৈ বিভিন্ন প্ৰান্তৰ পৰা মানুহবোৰ আঘোণমহীয়া পকা-ধাননিলৈ জাকে জাকে কাকতি ফৰিং আদি আহিবলৈ লয়। থলুৱা লোকৰ আৰ্থিক স্বচ্ছলতাৰ সুযোগলৈ এই সকলে দেশত পৰি থকা ধন সোণবোৰ বুটলি ইয়াৰ ৰাইজৰ ওপৰতে অৰ্থনৈতিক অত্যাচাৰ আৰম্ভ কৰে। সোৰোপা বুলি খ্যাত অসমৰ পলসুৱা মনৰে সন্তানসকলে ইয়াৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম নকৰিলে।

দিন যায়। বহিৰাগত আহে, লাহে লাহে দেশ-স্বাধীন হ'ল। বৃটিছ সাম্ৰাজ্যবাদীইতে সিহঁতৰ উত্তৰাধিকাৰী ভাৰতীয় সাম্ৰাজ্যবাদীহঁতৰ পৰা ৰুমাল জোকাৰি বোম্বাইৰ পোতাশ্ৰয়ত বিদায় মাগিলে। অসম স্বাধীন হ'ল ভাৰতৰ অংগৰাজ্য হৈ। লাহে লাহে পৌৰসভাৰ ডাষ্টবিনত জাবৰৰ দ'ম হোৱাদি অসম ভাৰতৰ উপ-মহাদেশৰ ভিতৰৰ বাহিৰৰ জন নগৰীৰ জাবৰৰ ডাষ্টবিনলৈ ৰূপান্তৰিত হ'ল। শেষত অসমৰ মাটিত তিষ্ঠি থাকিবলৈ অসমীয়াই বিদেশী বহিৰাগতৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰে। ই নিষ্পেষিত জাতিৰ অস্তিত্ব জীয়াই ৰখাৰ সংগ্ৰাম। ইয়াৰ সফলতা দোদুল্যমান। ঘড়ীৰ পেন্দুলামৰ দৰে এবাৰ ওচৰলৈ আহিলেও ঠিক পাছমুহূৰ্ত্ততে ই আঁতৰি যায়। হওঁতে যদিও এই জাতীয় অস্তিত্ব ৰক্ষা সংগ্ৰামৰ মূল মাইলখুঁটি আমাৰ লক্ষ্য তথাপিতো পথৰ কাষৰ অতিক্ৰম কৰি অহা ফাৰ্লং খুঁটিবোৰ চালে দেখা যায় যে আমাৰ বৰ্ত্তমানলৈকে প্ৰদৰ্শন সৰ্ব্বসুন্দৰ হোৱা নাই।

আমি দেখা পাওঁ যে যদিও স্বাৱলম্বিতা সংগ্ৰামৰ বীজ ৰোপন কৰা হৈছে, তথাপিতো ইয়াৰ আশানুৰূপ বৃদ্ধি হোৱা নাই। অৱশ্যে এইটোও স্বীকাৰ্য্য যে আমাৰ দেশত এনিশাৰ ভিতৰতে নেতা হ'ব পাৰি স্বাৱলম্বী হ'ব নোৱাৰি।

বিভিন্ন দেশী-বিদেশী পুঁজিপতিহঁতৰ হাতত বুলি দিয়া অসমৰ অৰ্থনীতিত স্বাৱলম্বিতাৰ সংগ্ৰাম অজেয় নহলেও খুব সহজ সাধ্যও নহয়। এতিয়া কথা হল এই প্ৰবঞ্চক শ্ৰেণীটোৱে অসমীয়াই নিজৰ কপাল নিজে লিখিবলৈ কৰা যি কোনো প্ৰচেষ্টাকেই মষিমূৰ কৰিবলৈ সৰ্ব্ব দিশৰ পৰা প্ৰচেষ্টা চলাব। ইহঁতৰ অক্টোৰপাচৰ দৰে বিস্তৃত হাঁতোৰাবোৰ অসমৰ অৰ্থনীতিৰ পোষক দ্ৰব্য শুহি শুহি যথেষ্ট সবল সুঠাম হৈ পৰিছে। গতিকে আমি আমাৰ স্বাৱলম্বিতাৰ সংগ্ৰামত জয়ী হবলৈ হলে অসমীয়াৰ আত্মনিয়ন্ত্ৰণ প্ৰতিষ্ঠাৰ দাবী মানি লবই লাগিব। সেয়ে আমি লগে লগে চকু ৰাখিব লাগিব যে যাতে আমাৰ স্বাৱলম্বিতাৰ সংগ্ৰাম অৱশেষত আপোচমূলক নহয়গৈ।

(আগলৈ)

'প্ৰতিবাদৰ কণ্ঠ' সম্পাদনা সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত আৰু ইচিল প্ৰেছত (তৰাজান, যোৰহাট) মুদ্ৰিত।

সম্পাদক: ধ্ৰুৱজ্যোতি বৰগোহাঞি

OKDISCD